১৫ গৱেষণা প্ৰতিবেদন (The Research Report)

অধ্যয়ন গাঁঠনি

১৫ .১ উদ্দেশ্য

১৫ .২ পৰিচয়

১৫ .৩ গৱেষণাৰ বিৱৰণ ঃ অর্থ আৰু ধাৰণা

১৫ .৪ বিৱৰণৰ বিভিন্ন স্তৰ (Stages)

১৫ .৫ গৱেষণাৰ বিৱৰণ অর্ন্তভাগ বা অর্ন্তবস্তু (Content)

১৫ ৬ গবেষণাৰ বিৱৰণ প্ৰস্তুতকৰণত প্ৰণালীবদ্ধতা

১৫ .৭ গৱেষণা বিৱৰণৰ গুণসমূহ (Quality)

১৫ .৮ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

১৫ .৯ অধিক জানিবলৈ

১৫ .১০ অগ্ৰগতিৰ খতিয়ান

১৫ .১১ আৰ্হি প্ৰশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- গৱেষণা বিৱৰনৰ অর্থ বুজিব পাৰিব
- গৱেষণা বিৱৰনৰ অন্তবস্তুৰ বিষয়ে জানিব পাৰিব
- গবেষণা বিৱৰণ প্ৰস্তুত কৰোঁতে লিখিবলগীয়া বিভিন্ন স্তৰসমূহ চিনাক্ত কৰিব পাৰিব
- এখন আদর্শ গৱেষণা-বিৱৰণৰ গুণসমূহৰ বিষয়ে জ্ঞান বা ধাৰণা গঠন কৰিব পাৰিব।

১৫.২ পৰিচয়

গৱেষণা প্ৰতিবেদন অন্তিম কিন্তু গৱেষণা প্ৰক্ৰিয়াৰ এটি অতি গুৰুত্বপূর্ণ অংশ। গৱেষণাৰ দ্বাৰা লাভ কৰা তথ্যসমূহ যদি লিপিবদ্ধ কৰা নহয় তেতিয়া গৱেষণা কৰাটো একো ফলদায়ক আৰু অর্থপূর্ণ নহয়। ইয়াৰ আগৰ অধ্যায়সমূহত আমি গৱেষণাৰ অর্থ, গৱেষণা প্ৰক্ৰিয়াৰ ধাপসমূহ, তথ্য সংগ্ৰহৰ পদ্ধতিসমূহ আৰু তথ্য বিশ্লেষণ তথা পৰিৱেশন কৰাৰ পদ্ধতিসমূহৰ বিষয়ে শিকিব পাৰিলো। এই অধ্যায়ত আমি গৱেষণা প্ৰতিবেদনৰ অর্থ, গুৰুত্ব, ইয়াৰ অর্ন্তবস্তু আৰু গৱেষণা প্ৰতিবেদন লিখাৰ ধাপসমূহ তথা গৱেষণা প্ৰতিবেদনৰ গুণসমূহ বুজিব পাৰিম।

১৫.৩ গৱেষণাৰ প্ৰতিবেদন ঃ অর্থ আৰু ধাৰণা

এতিয়ালৈকে আমি গৱেষণাৰ অর্থ, তথ্য সংগ্ৰহৰ পদ্ধতি আৰু তথ্য বিশ্লেষণৰ বিভিন্ন পদ্ধতিৰ বিষয়ে জানিব পাৰিছোঁ। কিন্তু, গৱেষণাৰ অর্থ এই খিনিতে সাধাৰণ ভাৱে শেষ নহয়। গৱেষণাৰ অর্থ বা উদ্দেশ্য পূৰন হ'বলৈ হ'লে, ইয়াৰ পৰা প্ৰাপ্ত তথ্যসমূহ প্ৰণালীবদ্ধ ভাৱে

লিখিত নথিভুক্ত (Documented) আৰু উপস্থাপিত (Presented) হ'ব লাগে। গৱেষণাৰ দ্বাৰা সংগ্ৰহ কৰা তথ্যসমূহ ব্যৰ্থ অথবা গুৰুত্বহীন হৈ পৰে, যদিহে গৱেষণা তথ্যসমূহ বা প্ৰতিবেদনসমূহ লিপিবদ্ধ কৰা নহয়। প্ৰতিবেদন লিখন সেয়েহে গৱেষণাৰ এক বিশেষ মহত্বপূৰ্ণ অংগ। যদিও গৱেষণাৰ প্ৰতিবেদন প্ৰস্তুত কৰাটো গৱেষণাৰ কাৰ্যৱলীসমূহৰ অন্তিম পৰ্য্যায়ৰ কাৰ্য, তথাপিও ইয়াৰ আৱশ্যকতা অনস্বীকাৰ্য্য। গৱেষণাৰে তথ্যসমূহৰ প্ৰণালীৱদ্ধ সংকলন আৰু লিখিত মান্যতাযুক্ত সিদ্ধান্ত (Valid Conclusion) হ'লে গৱেষণাৰ কাৰ্য্য জনপ্ৰিয় আৰু অৰ্থৱহ কৰি তোলে। সেয়েহে গৱেষণা প্ৰতিবেদন লিখিত ৰূপক গৱেষণা অনুসন্ধানৰ চৰম পৰিণতি বুলি অভিহিত কৰিব পাৰি। গৱেষণা প্ৰতিবেদন, যিসমূহ উল্লেখনীয় তথ্যৰ জৰিয়তে গৱেষক এজনে বিষয়বস্তুৰ সাধাৰণীকৰণত উপনিত হয়, তাৰ এটি চমু বিবৃতি অথবা বৰ্ণনা। গৱেষণা প্ৰতিবেদনসমূহ অনুসন্ধানৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত প্ৰস্তুত কৰা হয় আৰু গৱেষকসকলে ইয়াৰ পৰা সিদ্ধান্তত উপনীত হয়। এই সমূহ কাৰ্যৰ উদ্দেশ্য হ'ল বৃহ্যসংখ্যক তথা আগ্ৰহী জনসাধাৰণক সংগৃহীত তথ্যৰ বিষয়ে অৱগত কৰা। গৱেষকসকলে অনুসন্ধিত বিষয় পৰ্যান্ত সৰলীকৰণ আৰু বিশদ-প্ৰণালীবদ্ধ উপস্থাপনৰ জৰিয়তে তেওঁলোকৰ বিষয়সমূহৰ পৰিনাম সকলোৰে কাৰণে উপলব্ধ হোৱাৰ চেষ্টা কৰে আৰু পঢ়ুৱৈ সকলৰ বাবে এক মান্যতাযুক্ত সিদ্ধান্ত গঠনত সহায় কৰে। প্ৰতিবেদন লিখনৰ দ্বাৰা গৱেষণাৰ পৰা লাভ কৰা জ্ঞান প্ৰচাৰ কৰাৰ উপৰিও ই সেই নিৰ্দ্দিষ্ট ক্ষেত্ৰত পৰৱৰ্ত্তী গৱেষণাৰ পথতো সহায়ক হয়।

১৫ .৪ প্ৰতিবেদন লিপিবদ্ধতাৰ বিভিন্ন স্তৰ

তথ্য সংগ্ৰহ, বিশ্লেষণ, কালক্ৰমানুসৰি ব্যৱস্থাপনা আৰু শেষত তথ্যসমূহৰপৰা ধাৰণা আৰু যুক্তিবাদ গঠনৰ দীৰ্ঘ পৰিসৰৰ পদ্ধতিসমূহৰ শেষ পৰ্য্যায় হ'ল গৱেষণা প্ৰতিবেদন। প্ৰতিবেদনসমূহ প্ৰস্তুতকৰণত বিভিন্ন স্তৰ বা পৰ্য্যায় জড়িত হৈ থাকে- যেনে

- বিষয়বস্তুৰ যুক্তিসংগত বিশ্লেষণ
- চূড়ান্ত ৰূপৰেখা প্ৰস্তুতকৰণ বা সাৰাংশ
- প্ৰাৰম্ভিক নক্সা অথবা খচৰা (draft) প্ৰস্তুত
- পুনঃ লিখন আৰু পৰিমাৰ্জন (Polishing)
- অন্তিম গ্ৰন্থসূচী প্ৰস্তুতকৰণ
- চূড়ান্ত নক্সা অথবা খচৰা লিখন।

প্ৰতিটো স্তৰৰে বহলাই আলোচনা কৰে। আহক—

- **বিষয়বস্তুৰ যুক্তিসংগত বিশ্লেষণ ঃ** গৱেষণা প্ৰতিবেদনৰ ই প্ৰথম কাৰ্যসূচী আৰু সময় খৰচী (Time consuming) প্ৰক্ৰিয়া । প্ৰতিবেদনৰ উন্নত প্ৰস্তুতিৰ কাৰণে দুটা পদ্ধতি বা পথ অৱলম্বন কৰা হয়— ১) যুক্তি নিষ্ঠতা ২) কালক্ৰমানুসৰি যুক্তিনিষ্ঠ পদ্ধতিত, গৱেষকে তেওঁৰ সকলো প্ৰচেষ্টাৰে অনুসন্ধানৰ পৰা পোৱা তথ্যসমূহৰ মাজত যুক্তিনিষ্ঠ সম্বন্ধ আৰু সংসৰ্গ (links) স্থাপন কৰে। তেওঁ বিভিন্ন তথ্য সমূহৰ পৰস্পৰৰ মাজত

বিশ্লেষণৰ দ্বাৰা সম্বন্ধ স্থাপন কৰে। দ্বিতীয়তে, গৱেষকগৰাকীয়ে তথ্যসমূহ কালক্ৰমানুসৰি অথবা সময়নিষ্ঠতাৰ ওপৰত ভিত্তি কৰি সংযোজন (arrange) কৰে। উদাহৰণস্বৰূপে, যদি গৱেষকৰ গৰাকীয়ে কোনো ঐতিহাসিক ঘটনাৰ ওপৰত প্ৰতিবেদন প্ৰস্তুত কৰি আছে। তেওঁ প্ৰথমে সেই ঘটনাৰটোৰ প্ৰাসংগিক আন বিভিন্ন ঘটনাৰ লগত একাদিক্ৰমে সংযোগ স্থাপন কৰিব আৰু এই বিলাকৰ লগত যুক্তিগত সম্বন্ধ স্থাপন কৰিব। দ্বিতীয়তে, তেওঁ ঘটনাসমূহৰ সময় অনুযায়ী ক্ৰম অনুসাৰে লিপিবদ্ধ কৰিব, অৰ্থাৎ কোনটো ঘটনা প্ৰথম সংঘটিত হৈছিল আৰু কোনটো ঘটনাৰ পিছত হৈছিল সেই অনুসাৰে লিপিবদ্ধ কৰিব । গৱেষণাৰ দ্বাৰা লব্ধ তথ্য সমূহৰ যুক্তিনিষ্ঠ আৰু সময়নিষ্ঠ লিপিবদ্ধকৰণে গৱেষণাক অধিক সুস্পষ্ট কৰে আৰু গৱেষকৰ বিশ্লেনাত্মক ক্ষমতাও প্ৰকাশ কৰে।

- **চূড়ান্ত ৰূপৰেখা প্ৰস্তুতকৰণ ঃ** গৱেষণাৰ তথ্যসমূহ যুক্তিনিষ্ঠ আৰু সময়নিষ্ঠ ক্ৰমত প্ৰস্তুত কৰাৰ পিছৰ পৰ্য্যায়েই হ'ল ৰূপৰেখা প্ৰস্তুত কৰণ। এই অন্তিম ৰূপৰেখা সাধাৰণতে গৱেকৰ সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰে। কিন্তু, গৱেষক গৰাকীয়ে সম্বন্ধীত বিষয় সম্বন্ধে বিশ্লেষণ, তথ্যসমূহ অনুসন্ধানৰ পদ্ধতি, বিশ্লেষণ আৰু পৰিণাম নিৰ্ণয় আৰু পৰিনামৰ বা সিদ্ধান্তৰ আধাৰ এই সকলোবোৰ স্পষ্টভাবে বৰ্ণনা কৰা আৱশ্যকীয়। এই ৰূপৰেখাৰ ওপৰত ভিত্তি কৰিয়েই গৱেষকে 'ৰিপোৰ্ট' বা বিৱণৰ প্ৰস্তুতকৰে। ৰূপৰেখা সেয়েহে অতি আৱশ্যকীয় কিয়নো, ই বিষয়বস্তু চিনাক্ত কৰাৰ উপৰিও উপ-বিষয়সমূহকও সন্নিৰিষ্ট কৰে। যুক্তিনিষ্ঠ সংস্থালৈ এইবোৰ মহত্বপূৰ্ণ উপকৰন আৰ্ঞা গৱেষনা বিৱৰনীৰ কাৰণে স্মৃতি বৰ্ণনা (reminder) স্বৰূপ । এই ৰূপৰেখাৰ অবিহনে, বিৱৰনী যান-মিহলি (jumbledup) হৈ যোৱাৰ উপৰিও গৱেষণাৰ গুৰুত্বপূৰ্ণ অংশ গৱেষক গৰাকীৰ দ্বাৰা বাদ পৰি যোৱাৰ আশংকাও থাকে।
- **প্ৰাৰম্ভিক নক্সা প্ৰস্তুত ঃ** ই হ'ল গৱেষণা প্ৰস্তুতকৰণৰ তৃতীয় পৰ্য্যায়। অনুমান কৰা হয় যে গৱেষণাৰ সকলো পৰ্য্যায়ৰ ভিতৰত হ'ল সৰ্বাধিক সময় খৰছী (Time consuming), কিয়নো এই পৰ্য্যায়ত গৱেষণাৰ পৰা আহৰণ কৰা সকলো ধাৰণা আৰু তথ্যৰ এককৰন কৰিব আৰম্ভ কৰে আৰু এই প্ৰতিবেদনসমূহ লিপিৱদ্ধ কৰে। গৱেষক গৰাকীয়ে কি কৰিলে, কি কাৰ্য্যপ্ৰণালী গ্ৰহণ কৰিব, প্ৰত্যাহ্বান সমূহনো কি, অনুসন্ধান মূলক প্ৰাপ্তিসমূহ নো কি কি, গৱেষক গৰাকীৰ নিজৰ ধাৰণা, যুক্তি আৰু বিতৰ্ক , সাধাৰণীকৰন আৰু পৰামৰ্শ এই সকলোবোৰ এই পৰ্য্যায়ত লিপিৱদ্ধ কৰা হয়। যিহেতু গৱেষণাৰ সকলো প্ৰাসংগিক দিশ সন্মিলিত কৰা হয়। গৱেষক গৰাকীয়ে তেওঁৰ লব্ধ তথ্যৰ লিখিত ৰূপ দিবলৈ সময়ৰ প্ৰয়োজন হয়।
- **পুনঃ লিখন আৰু পৰিমাৰ্জন ঃ** গৱেষণা প্ৰতিবেদন ইও এক জটিল পৰ্যায়। ই-ও সময় খৰছী। প্ৰাৰম্ভিক নক্সা প্ৰস্তুতকৰনত প্ৰয়োজন হোৱা সময়ৰ অনুৰূপ সময় ইয়াত প্ৰয়োজন হয়। প্ৰাৰম্ভিক নক্সা প্ৰস্তুত কৰাৰ পিছত, গৱেষক গৰাকীয়ে বিশেষ সতৰ্কতাৰে এইবোৰ পৰীক্ষণ কৰে। এই পৰীক্ষণৰ অন্তত ইয়াত দেখা পোৱা ত্ৰুটি আৰু দূৰ্বলতাসমূহ সংশোধিত

কৰা হয়। প্ৰাৰম্ভিক নক্সাক পুনলিখন, সংশোধন আৰু পৰিমাৰ্জনৰ দ্বাৰা এই পৰ্য্যায়ত গৱেষণা প্ৰতিবেদন ত্ৰুটিমুক্ত কৰা হয়। গুৰুত্বপূৰ্ণ তথ্যৰ অনুপস্থিতি, ভুল, লগতে ব্যাকৰণ ভুল, বানান ভুল, বাক্যৰ পুন নিৰ্মাণ আদিৰ সংশোধনৰ দ্বাৰা প্ৰতিবেদন নিৰ্ভুল আৰু যথাৰ্থ কৰি তোলাৰ প্ৰয়াস কৰা হয়।

- **গ্ৰন্থসূচী প্ৰস্তুতকৰণ ঃ** গৱেষণা প্ৰতিবেদনত পৰিমাৰ্জন আৰু সংশোধনৰ পিছৰ পৰ্য্যায় হ'ল গ্ৰন্থসূচী প্ৰস্তুতকৰন । গ্ৰন্থসূচী, যিটো সাধাৰণতে গৱেষণা প্ৰতিবেদনত সংলগ্ন কৰা হয়, ই হ'ল গৱেষণাত ব্যৱহৃত কিতাপৰ সূচী। গৱেষকে সতৰ্কতাৰে এই কিতাপৰ সূচী প্ৰস্তুকৰণত কিতাপৰ নামসমূহ অন্তৰ্ভুক্ত কৰিব লাগে। ই এক বিশেষ গুৰুত্বপূৰ্ণ পৰ্য্যায় কিয়নো, গৱেষক গৰাকীয়ে যিসমূহ কিতাপৰ পৰা গৱেষনাৰ বাবে তথ্য সংগ্ৰহ কৰিছিল সেই কিতাপসমূহৰ নাম গ্ৰন্থ সূচীত অন্তৰ্ভুক্ত নহ'লে তেওঁ কুন্তিল ৰচনাৰ বাবে ন্যায়িকভাৱে দায়ী সাব্যস্ত হব।

১৫.৫ গৱেষণাৰ প্ৰতিবেদন অন্তৰ্ভাগ বা অন্তৰ্বস্তু

আমি গম পালোঁ যে গৱেষণা অধ্যয়ন শেষ হোৱাৰ পাছত, গৱেষকসকলে এখন প্ৰতিবেদন প্ৰস্তুত কৰিব লাগে। এই প্ৰতিবেদন অবিহনে তেওঁৰ সমগ্ৰ গৱেষণাটো এক অৰ্থহীন প্ৰয়াসত পৰিণত হ'ব। এই শিতানটোত আমি এখন গৱেষণা প্ৰতিবেদনৰ বিষয়বস্তু সম্পৰ্কে জনাৰ চেষ্টা কৰিম। শিতানটো পঢ়ি আপুনি এখন গৱেষণা প্ৰতিবেদনত কি থাকে সেয়া জানিব পাৰিব। প্ৰতিবেদনখন পঢ়ি ব্যক্তি এগৰাকীয়ে সমগ্ৰ গৱেষণা অধ্যয়নটোৰ বিষয়ে গম পায়। ইয়াৰ ভিত্তিতে তেওঁ গৱেষণা পদ্ধতিবোৰৰ পৰিমিততা বিচাৰ কৰি চাব আৰু গৱেষণাকালত লব্ধ তথ্যবোৰ কিমান গুৰুত্বসহকাৰে ল'ব পাৰি সেই বিষয়ে এক মতামত দিব। সেয়েহে, গৱেষণা প্ৰতিবেদন প্ৰণালীৱদ্ধভাৱে লিখা উচিত। ইয়াৰ বাবে এক উপযুক্ত পৰিকল্পনাৰ প্ৰয়োজন। প্ৰতিবেদন পৰিকল্পনা মানে হ'ল গৱেষণা প্ৰতিবেদন এখনত কি কি কথা সন্নিৱিষ্ট কৰা হ'ব তাৰ তালিকা। এখন গৱেষণা প্ৰতিবেদনৰ এটা বিস্তৃত পৰিকল্পনাত (ক) প্ৰাৰম্ভিক পৃষ্ঠা, খ) মূল অংশ আৰু গ) উল্লেখ শিতান থকা উচিত।

প্ৰাৰম্ভিক শিতান (Preliminary Section) ঃ গৱেষণাৰ প্ৰকাৰ অনুসৰি প্ৰতিবেদনৰ প্ৰাৰম্ভিক শিতান বেলেগ বেলেগ হ'ব পাৰে। প্ৰতিবেদনৰ এই ভাগটোত সাধাৰণতে শিৰোনাম, গৱেষণাৰ উদ্দেশ্য, আনুষ্ঠানিক সহযোগিতা আদিৰ উল্লেখ থকা প্ৰচ্ছদ পৃষ্ঠাটো থাকে। দ্বিতীয় পৃষ্ঠাত সাধাৰণতে প্ৰমাণপত্ৰ ছপা কৰা হয়। তাত্ত্বিক নিৱন্ধ (dissertation) আৰু গৱেষণাপত্ৰ (theses) ৰ লগত এনে প্ৰমাণপত্ৰ ছপা কৰা হয়। অন্য প্ৰকাৰৰ গৱেষণা প্ৰতিবেদনত এই পৃষ্ঠাটো সংলগ্ন কৰাৰ প্ৰয়োজন নাথাকিবও পাৰে। ইয়াৰ পাচতেই কৃতজ্ঞতা জ্ঞাপক পৃষ্ঠাটো থাকে। ইয়াত গৱেষকে তেওঁৰ অধ্যয়ন সফলতাৰে সমাপ্ত কৰাত যিসকলে বিভিন্ন প্ৰকাৰে সহায় কৰিছে তেওঁলোকৰ শলাগ লয়। ইয়াৰ পৰৱৰ্তী পৃষ্ঠাটো হ'ল সূচীপত্ৰ (Content page)। ইয়াত প্ৰতিবেদনত অন্তৰ্ভুক্ত বিষয়বোৰৰ প্ৰতিবেদন পৃষ্ঠা সংখ্যা সহ ছপা কৰা হয়। সূচীপত্ৰৰ

পাচত তালিকা আৰু চিত্ৰ আদিৰ সূচীপত্ৰ থাকে। সিদ্ধান্ত গ্ৰহণকাৰী নাইবা প্ৰতিবেদনখন পঢ়িবলৈ আগ্ৰহীসকলে প্ৰয়োজনীয় তথ্যবোৰ এই সূচী পঢ়ি সহজে বিচাৰি উলিয়াব পাৰে।

মূল অংশ (Main body) ঃ গৱেষণা প্ৰতিবেদনৰ এক প্ৰধান অংশ হ'ল এই মূল অংশ (Main body) । এই অংশত গৱেষণা লব্ধ সকলো তথ্য আৰু প্ৰতিবেদন প্ৰণালীবদ্ধ ভাৱে লিখিত ৰূপ দিয়া হয়। মূল ভাগৰ আকৌ তলত বৰ্ণনা কৰা উপ-ভাগসমূহত বিভক্ত কৰা হয়।

- **পৰিচয় ঃ** পৰিচয় উদ্দেশ্য হ'ল গৱেষণা প্ৰণালীক পঢ়ুৱৈৰ মাজত চিনাকী কৰি দিয়া। মূলভাগৰ আৰম্ভণি অংশই হ'ল পৰিচয় পৰ্ব । য'ত গৱেশকে এই বিশেষ গৱেষণা গ্ৰহণৰ কাৰণ ব্যাখা কৰে। এই প্ৰতিবেদনে নিশ্চয়কৈ গৱেষণাৰ আঁৰৰ নিহিত উদ্দেশ্য স্পষ্টভাৱে ব্যাখ্যা কৰিব লাগে। অৰ্থাৎ এই গৱেষণা আচলতে কি আৰু কিয় এই গৱেষণাৰ আৱশ্যক। গৱেষণাৰ বিশেষ অংশৰ ওপৰত ভিত্তি কৰি সমীক্ষাত্মক বৰ্ণনাৰ প্ৰয়োজন। এই ভাগৰ আন এটা মুখ্য কাম হ'ল ইতিপূৰ্বে লব্ধ জ্ঞানক পুনঃ প্ৰকাশ আৰু গৱেষণাৰ দ্বাৰা কেনেকৈ অভিজ্ঞতা বা জ্ঞানৰ ব্যৱধানক নাম কৰিব পাৰি আৰু পূৰ্ব ব্যৱহৃত জ্ঞান আৰু কৰ্মৰ পুনৰুত্থান। তদুপৰি, গৱেষণাৰ উদ্দেশ্য, গৱেষণাৰ মাজত উত্থাপিত প্ৰশ্ন সমূহ, তথ্য সংগ্ৰহ পদ্ধতি আৰু বিশ্লেষণ আৰু সিদ্ধান্তমূলক গাঁথনি আদিও গৱেষণা প্ৰতিবেদনত বৰ্ণনা কৰা প্ৰয়োজন। গৱেষক গৰাকীয়ে এই সমূহক বিস্তৃত বৰ্ণনা দিয়া প্ৰয়োজন যাতে পঢ়ুৱৈয়ে সহজে গৱেষণাৰ বিষয়সমূহ অনুধাৱন কৰিব পাৰে আৰু ইয়াৰ গুণা-গুণ সম্বন্ধে ধাৰণা কৰিব পাৰে। তদুপৰি, গৱেষণা প্ৰতিবেদন অধ্যয়নৰ পৰিধি (Scope) প্ৰকাশ কৰাৰ উপৰিও ইয়াৰ সীমাৱদ্ধতা আৰু গৱেষণা পদ্ধতি ৰূপায়নৰ পৰিস্থিতিও নিশ্চযকৈ বৰ্ণনা কৰা উচিত।
- **অনুসন্ধানৰ বৰ্ণনা ঃ** ই সাধাৰণতে গৱেষণা প্ৰতিবেদনৰ মুখ্য অংশৰ লগত অন্তৰ্ভুক্ত হৈ থাকে। পৰিচয় অধ্যায়ত এই গৱেষণা পৰিচত কৰাৰ পিছত, অনুসন্ধান বা গৱেষণাৰ পুংখানুপুংখ ফল, পৰিসংখ্যা, টেবুল আৰু ৰেখাচিত্ৰ ও দিয়া উচিত। ইয়াত গৱেষকৰ মুখ্য কাৰ্য হ'ল, প্ৰাথমিক তথ্য সমূহৰ অৰ্থপূৰ্ণ বৰ্ণনা আৰু যুক্তি প্ৰদৰ্শন। এই প্ৰতিবেদনত প্ৰাসঙ্গিক সকলো তথ্য সন্মিলিত কৰাৰ উপৰিও এই সকলো তথ্য যুক্তিনিষ্ঠ ভাৱে আৰু প্ৰণালীবদ্ধভাৱে লিখিত ৰূপত প্ৰকাশ কৰা উচিত। তথ্য সমূহৰ বিশ্লেষণত স্পষ্টভাৱে বৰ্ণনা কৰা উচিত। গৱেষণা প্ৰতিবেদনে তথ্যসমূহ স্পষ্ট বা বিশদভাৱে আৰু বুদ্ধিদীপ্ত ভাষাৰে বৰ্ণনা কৰা উচিত।
- **ফলাফলৰ নিতাৰ্থ ঃ** মূল ভাগৰ শেষৰ ফালে, গৱেষক গৰাকীয়ে তেওঁৰ অনুসন্ধানৰ ফলাফলসমূহ বিশ্বাসযোগ্য আৰু স্পষ্টভাৱে লিখিতৰূপত প্ৰকাশ কৰিব লাগে। নিদৰ্শন মূলক ভাবে তেওঁ গৱেষণাৰ ফলাফলসমূহ সাধাৰণ নাটকৰ আগত প্ৰকাশ কৰোতেই মানুহৰ ব্যৱহাৰ -স্বভাৱ আদিৰও অৰ্থগত বিশ্লেষণ দেখুৱাব লাগে। এই বিশ্লেষণৰ তিনিটা দিশ হ'ল—

➢ বৰ্তমান অনুসন্ধান অধ্যয়নৰ ওপৰত গঢ়ি উঠা অনুমান ভিত্তিক বৰ্ণনাই পিছত একে ধৰ্মীয় ঘটনা ক্ষেত্ৰ ব্যৱহাৰৰ আশা কৰিব পাৰি।

- বৰ্তমানৰ অধ্যয়নৰ পৰিস্থিতি যিয়ে বৈধ সামান্যকৰণৰ পৰিধিত সীমাৱদ্ধতা আনে, যিটো গৱেষণা প্ৰতিবেদন অধ্যয়নৰ দ্বাৰা অনুমান গঢ়ি উঠে।
- প্ৰাসংগিক প্ৰশ্নসমূহ, যিবিলাক -বৰ্তমানেও উত্তৰ শূন্য হৈ আছে আৰু অধ্যয়নৰ ফলত সৃষ্টি হোৱা নতুন প্ৰশ্নসমূহ, পৰামৰ্শসমূহ যিবিলাকৰ পৰা পৰৱৰ্ত্তী উত্তৰ পোৱা যায়।

● **সামৰণি ঃ** গৱেষণা প্ৰতিবেদন মীমাংসামূলক দ্বাৰা তেওঁৰ গৱেষণাৰ সামৰণি পৰে। গৱেষক গৰাকীয়ে পৰামৰ্শ আৰু অনুমোদনৰ ও এই সামৰণিতেই প্ৰকাশ কৰে। সেই বিশেষ ক্ষেত্ৰত ভৱিষ্যতে সম্ভাব্য গৱেষণাৰ সুফলও ইয়াতেই তেওঁ দেখুৱাবলৈ চেষ্টা কৰে।

সমাপ্তি অংশ ঃ মূল ভাগ শেষ হোৱাৰ পিছত, সামৰণি অংশ হিচাবে, আমি আগতে আলোচনা কৰি অহাৰ দৰেই, গৱেষকে গ্ৰন্থপঞ্জী(Bibliography) এই অংশত লিখে। গৱেষকে গৰাকীয়ে এই গ্ৰন্থপঞ্জী প্ৰকাশৰ সময়ত বিশেষ সাৱধানতা অৱলম্বন কৰা উচিত আৰু কিতাপ, প্ৰবন্ধ, তথ্য, চৰকাৰী নথি-পত্ৰ আৰু অন্যান্য আনুসংগিক সহায় বৰ্ণৰী সূত্ৰসমূহৰ নাম উল্লেখ কৰিব লাগে। গ্ৰন্থপঞ্জীৰ বাদেও গৱেষক গৰাকীয়ে প্ৰশ্নৱলী (Questionnaries), নমূনামূলক তথ্য গণিতিক উৎপত্তি আৰু অন্যান্য এই অংশত সন্নিৱিষ্ট কৰে। এই নিৰ্দেশিকাই পঢ়ুৱৈৰ কাৱণে গৱেষণা প্ৰতিবেদন অৰ্ন্তভাগৰ ধাৰণা গঠন কৰে। প্ৰতিবেদনৰ এই অন্তিম অংশ ফটো আদি থাকিলেও সন্নিৱিষ্ট কৰে আৰু লগেত এই ফটোসম্বন্ধে প্ৰয়োজনীয় নিদেৰ্শন ও উল্লেখ থাকে।

১৫.৬ গৱেষণাৰ প্ৰতিবেদন প্ৰস্তুতকৰণত প্ৰণালীবদ্ধতা

গৱেষণা প্ৰতিবেদন লিখনত প্ৰণালীবদ্ধতা আৰু কাৰিকৰী কৌশল গৱেষণা প্ৰয়োজন হয়। গৱেষণা প্ৰতিবেদন প্ৰস্তুত কৰোতে কিছুমান নিৰ্দিষ্ট নিয়ম পালন কৰিব লাগে। প্ৰতিবেদন প্ৰস্তুতকৰণত (Font, Font style, line spacing, Alignment, Margin) আদি কাৰিকৰী (Technicalitlies) নিয়ম নিশ্চয়কৈ পালন কৰিব লাগে। কেইটামান উল্লেখযোগ্য কাৰিকৰি ক্ৰুটিনাতি গৱেষক গৰাকীয়ে নিশ্চয়কৈ পালন কৰা উচিত।

- **আকাৰ আৰু বাৱ্যিক গঠনৰ আগি (Physical design) ঃ** প্ৰতিবেদনসমূহ ৰেখাহীন (Unruled) পৰিস্কাৰ আৰু সহজে পঢ়িব পৰা কাগজত হ'ব লাগে। কাগজৰ দুইমূৰে সমানভাৱে প্ৰাপ্ত (Margin) গঠনৰ উপৰিও আখৰসমূহৰ আকাৰ (font size) , আৰ্হি (style) বাক্য আৰু আখৰ মাজৰ দূৰত্ব (lines spoing) আদিৰ ওপৰতো গুৰুত্ব দিব লাগে।
- **(Layout) বা চানেকী ঃ** গৱেষণা প্ৰতিবেদনৰ ওপৰত নিৰ্ভৰ কৰিব পাৰি ইয়াৰ প্ৰকৃতি অনুযায়ী তাৰ চানেকী বা (Layout) প্ৰস্তুত কৰিব লাগে।
- **উদ্ধতি (Quotations) ঃ** উদ্ধতি সমূহ নিয়ম অনুযায়ী উদ্ধতি চিহ্নৰ মাজত উপস্থাপন কৰিব লাগে যাতে ই প্ৰতিবেদনৰ উল্লেখযোগ্য অংশৰূপে চকুত পৰে। লগতে এই উদ্ধতি দীঘলীয়া হ'ল ইয়াক এক (single) ব্যৱধানত আৰু প্ৰান্তীয় ৰেখাৰ পৰা কমেও আধা ইঞ্চি গূৰত্ব হ'ব লাগে।

- **পাদটীকৰণ** (foot notes) ঃ এই পাদটীকৰণ কাগজৰ তলভাগৰ (bottom) য'ত প্ৰসঙ্গ বা উদ্ধৃতিৰ শেষত থাকে। এই পাদটীকৰণ প্ৰথানুসাৰে প্ৰতিবেদন বা পদ্যৰ অংশৰ পৰা আধা ইঞ্চি দূৰত্বত আৰু ১/১২ ইঞ্চি দীঘলীয়াৰেখাৰ দ্বাৰা বিযুক্ত কৰা হয়। পাদটীকৰণৰ সমূহ ক্ৰম অনুসাৰে সাধাৰণতে একৰ পৰা আৰু প্ৰতিটো অধ্যায়ৰ বাবে পৃথককৈ বহুওৱা হয়। নম্বৰ সমূহ উদ্ধৃতিৰ শেষত বহুওৱা উচিত। পৃষ্ঠাৰ শেষত, পাদটীকৰণ সমূহৰ ও নম্বৰ দিয়া উচিত। পৃষ্ঠাৰ শেষত পাদটীকৰণ সমূহৰ ও নম্বৰ দিয়া উচিত যাতে এইবোৰে মূল পদ্যৰ লগত প্ৰাসঙ্গিক কয়, লগতে সঙ্গতিপূৰ্ণ টীকা (note), পৃষ্ঠাৰ শেষত থাকিব লাগে। পৰিসংখ্যামূলক টেৱল (tables) আৰু অন্য সাংখ্যিক তথ্যৰ বাদে, অন্য ঠাইত (*) তৰা চিহ্ন ই চিভ্ৰান্তি নাশৰ ব্যৱহাৰ কৰিব।
- **পাদটীকৰণ** সমূহ সদায় একক বিৰতিৰ (single spare) পিছত টাইপ (Type) কৰিব লাগে আৰু পৰস্পৰ পাদটীকৰণ মাজত দ্বিগুন (double) বিতৰি থাকিব লাগে।
- **উপ-শাখা** (Sub-section) সমূহৰ ওপৰত বিশেষ প্ৰতিফলন (high light) দেখুৱাব লাগে।
- পাঠত নিহিত উদ্দতি স্পষ্ট -শুদ্ধভাৱে প্ৰকাশ কৰিব লাগে।
- গ্ৰন্থ-পঞ্জী বৰ্ণক্ৰমানুসয়ী (alphabetically) লিখিব লাগে আৰু নিশ্চয়কৈ নিৰ্দেশিত প্ৰাসঙ্গিক শৈলী যেনে - ARA



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ গৱেষণা প্ৰতিবেদন মানে কি?

.....

.....

প্ৰশ্ন নং ২ ঃ গ্ৰন্থপঞ্জী কি?

.....

.....

প্ৰশ্ন নং ৩ ঃ সঁচা নে মিচা—

(ক) গৱেষণাৰ প্ৰতিবেদন লিখাটো গৱেষণাৰ প্ৰথম পৰ্য্যায়।

.....

.....

খ) স্বীকৃতি সূচক পৃষ্ঠাই গৱেষণা প্ৰতিবেদন অন্তৰ্ভাগৰ তালিকাক লৈ গঠন হয়।

.....

.....

১৫.৭ গৱেষণা প্রতিবেদনৰ গুণসমূহ

গৱেষণা প্রতিবেদন সু-সংগত হ'লে ই অপৰিহার্য্য হিচাপে গণ্য কৰা হয়। কেতিয়াবা গৱেষণা সম্পাদিত কৰাৰ উত্তেজনাৰ বশৱৰ্ত্তী হৈ খৰধৰকৈ প্রতিবেদন লিখি প্রস্তুত কৰা হয়। কেতিয়াবা আকৌ গৱেষণাৰ কিছুমান অংশ খচৰা (draft) হিচাবেহে লিখি উলিওৱা হয় আৰু ই গৱেষণা প্রস্তুত হোৱাৰ আগতেই হয়। কি, এনেকুৱা অব্যৱস্থিত আৰু অস্পষ্ঠ তথ্যই গৱেষকজন সম্বন্ধে বেয়া ভাৱমূর্ত্তিৰ জন্ম দিয়ে আৰু তেওঁৰ গৱেষণাও সন্দহজনক বুলি ধাৰণা হয়। সেয়েহে গৰাকীয়ে বৰ সাৱধানতাৰে আৰু শুদ্ধ ব্যৱস্থাপনায়ে তেওঁৰ সমস্ত প্রাসংগিক প্রতিবেদন (Research Report)ৰ মাধ্যমেৰে প্রকাশ কৰা উচিত। তেওঁ সহজ আৰু অর্থহীন ভাষাহে প্রতিবেদন ব্যৱহাৰ কৰা উচিত। প্রতিবেদনসমূহ সহজে বুজি পোৱা আৰু গৱেষৰ গৰাকীৰ জ্ঞান আৰু অভিজ্ঞতাৰ প্রতিফলত হোৱাকৈ প্রকাশ কৰিব লাগে। বিস্তৃতি (Cllaboration) আৰু চিত্রণ (illustration) ও প্রয়োজন অনুসৰি কৰা উচিত। এখন ভাল গৱেষণা প্রতিবেদনে প্রশংসাসূচক আৰু কৃতজ্ঞতাজ্ঞাপক লিখনীৰ ব্যৱস্থাৰ কৰে। তলত এখন ভাল গৱেষণা প্রতিবেদনৰ গুণসমূহ আলোচনা কৰা হ'ল।

- **সহজ বোধ্য ঃ** প্রতিবেদনসমূহ সহজে বোধগম্য হোৱাধৰণে প্রকাশ কৰিব লাগে। দীঘল অনুচ্ছেদ পার্য্যমানে আতৰাব লাগে আৰু অনুচ্ছেদ সমূহ প্রস্তুত কৰোতে মন কৰিব লাগে যে এটা অনুচ্ছেদ কোনো এটা বিশেষ প্রসঙ্গৰ ওপৰতহে কেন্দ্র কৰি গঠন কৰা হৈছে। এটা মাত্র অনুচ্ছেদতে একাধিক প্রসংগ, ধাৰণা সন্মিলিত হ'লে বুজিবলৈ কঠিন আৰু সম্পূর্ণ হয়। অনুসন্ধান প্রাপ্ত তত্বসমূহ নিয়মানুসাৰে সন্মিলিত কৰা উপৰিও অনুচ্ছেদ সমূহ ন্যায়সিদ্ধ ঘটনাক্রমেহে অনুসৰণ কৰা উচিত।
- **স্পষ্টতা ঃ** ভাল যোগাযোগ ব্যৱস্থা বা তথ্যৰ আদান-প্রদান ক্ষেত্রত লিখিত তথ্যসমূহৰ স্পষ্টতা এক সু-উপাদান (এটা ভাল গৱেষণা প্রতিবেদন স্পষ্টৰলিখ ৰীতি নিশ্চয়কৈ থাকিব লাগে। গৱেষক গৰাকীয়ে লিখনীৰ মাজেৰে তেওঁৰ ধাৰণা আৰু ভাৱধাৰাক স্পষ্টভাৱে পঢ়ুৱৈৰ মাজত প্রকাশ কৰিব পাৰিব লাগে। তদুপৰি, গৱেষণা প্রতিবেদনৰ এক অবিচ্ছেদ) গুণ হ'ল—যথার্থতা (accuracly) স্বীকৃতি সূচক পৃষ্ঠাই গৱেষণা প্রতিবেদন অন্তর্ভাগৰ তালিকাক লৈ গঠন হয়।
- **সহজ বাক্য গঠন ঃ** বাক্য গঠনৰীতি সৰল-সহজ আৰু চুটী হ'ব লাগে। সহজবোধ্য শব্দৰে গঠিত আৰু সু-সংৱদ্ধ বাক্যহে গঠন কৰিব লাগে। দীঘল আৰু অস্পষ্ট অর্থৰ বাক্যৰীতি গ্রহণ কৰিব নালাগে। বাক্যসমূহ বিহিগতভাৱে গঠন হোৱাৰ উপৰিও সহজ বোধ্য হ'ব লাগে।
- **অ-কৌশলগত (Non-Technical) ভাষা ঃ** কৌশলগত কঠিন ভাষা ক্রমৰ ব্যৱহাৰ ৰোধ কৰ্ত্তি লাগে সাধাৰণ পঢ়ুৱৈৰ অভিজ্ঞতাৰ অনুসৰি গৱেষণা প্রতিবেদনও প্রস্তুত কৰাৰ লক্ষ্য লোৱা উচিত। যদি কৌশলগত বা প্রযুক্তগত ভাষা ক্রমৰ ব্যৱহাৰ প্রয়োজনীয় হৈ পৰে। তেতিয়াহলে এনেকুৱা ভাষা বা বাক্যৰ চমু বর্ণনা আৰু বিশ্লেষণ প্রতিবেদনত প্রকাশ কৰা জৰুৰী।

- **সংক্ষিপ্তকৰণ ঃ** প্ৰতিবেদন অতি দীঘলীয়া নহে, ই নিৰ্দিষ্ট লক্ষ্য পূৰণৰ অৰ্থে হ'ব লাগে। মুখ্য অংশসমূহ প্ৰতিফলিত হোৱাকৈ গৱেষণা প্ৰতিবেদন অন্তৰ্ভুক্ত কৰিব লাগে।
- **বাস্তৱসম্মত প্ৰকাশ ঃ** বিশ্লেষণ নিৰ্দিষ্ট উদাহৰণ আৰু তুলনাৰ দ্বাৰা পঢ়ুৱৈৰ কাৰণে গৱেষণা প্ৰতিবেদন কৰি তুলিব লাগে। অৰ্থাৎ গৱেষকে এক বাস্তৱসম্মত দৃষ্টিভংগী গ্ৰহণ কৰিব লাগে।



১৫ .৮ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- এখন গৱেষণা প্ৰতিবেদন অৰ্থপূৰ্ণ হ'বলৈ হ'লে, গৱেষণালব্ধ তথ্য সমূহ প্ৰণালীবদ্ধ ভাৱে লিপিবদ্ধ- তথ্যবদ্ধ আৰু উপস্থাপন কৰিব লাগে।
- গৱেষণা প্ৰতিবেদন লিখন হ'ল গৱেষণা অনুসন্ধানৰ সফল পৰিণতি বহু উল্লেখনীয় ঘটনাৰ ই চমু বৰ্ণনা যাৰ দ্বাৰা পঢ়ুৱৈয়ে ইবোৰৰ সাধাৰণকৰণৰ দ্বাৰা বুজিব পাৰি।
- গৱেষণা প্ৰতিবেদন হ'ল পৰিসংখ্যা সংগ্ৰহ, বিশ্লেষণ আৰু ঘটনাক্ৰমে উপস্থাপিত দীৰ্ঘ প্ৰক্ৰিয়াৰ অন্তিম ফল। এইবোৰেই শেষলৈ দৃষ্টিভংগী আৰু মতামত গঠন কৰে।
- গৱেষণা প্ৰতিবেদন প্ৰস্তুত কৰাৰ বিভিন্ন পৰ্য্যায় সমূহ হ'ল—
  ক) বিষয়বস্তুৰ যুক্তিনিষ্ঠ বিশ্লেষণ খ) অন্তিম ৰূপৰেখা বা সাৰাংশ প্ৰস্তুত গ) প্ৰাথমিক পৰ্য্যায়ৰ নক্সা প্ৰস্তুত ঘ) পুনঃ লিখন আৰু পৰিমাৰ্জন ঙ) অন্তিমসূচী প্ৰস্তুতকৰণ চ) অন্তিম নক্সা লিখন।
- এখন বাস্তৱসম্মত গৱেষণা প্ৰতিবেদনৰ অন্তবস্তু হ'ল—
  ১) প্ৰাৰম্ভিক পৃষ্ঠাসমূহ ২) মূল অংশ আৰু ৩) প্ৰাসঙ্গিক অংশ
  প্ৰতিবেদনৰ অৰ্ন্তবস্তু সমূহৰ বাদেও আৰু বিভিন্ন কলা-কৌশল গৱেষণা প্ৰতিবেদন প্ৰস্তুত কৰোতে প্ৰয়োজন হয়। গৱেষকে নিশ্চিত বাবে কিছুমান নীতি-নিয়ম পালন কৰিব লাগে - (Layout font) আৰু এনে বিভিন্ন নীতি।
- এখন ভাল গৱেষণাত প্ৰতিবেদনৰ কিছুমান গুণ নিশ্চিত ভাৱে থকাটো জৰুৰী। এনে কিছুমান ভাল গুণ হ'ল স্পষ্টতা, যথাৰ্থতা, দ্বগৰ্থহীনতা, সহজ-সৰল বাকৰৰ আৰু এনে বিভিন্ন ।



১৫.৯ অধিক জানিবলৈ

1) Guthrie, Gerard.(2010). *Basic Research Methods: An Entry to Social Science Research*. New Delhi: Sage publication. India.
2) Kothari, C. R. (2004). *Research Methodology – Methods and Techniques*, New Age International (P) Ltd, New Delhi.